টোপোলা প্ৰয়াত দত্তৰ পত্নী ধৰিত্ৰী শইকীয়াৰ হাতত অৰ্পণ কৰে।

# তিনিচুকীয়া ৱিমেনজ কলেজত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

তিনিচুকীয়া ঃ ষ্টাফ ৰিপৰ্টাৰ, ৭ ফেব্ৰুৱাৰী ঃ তিনিচুকীয়াৰ ৱিমেনজ কলেজৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত আৰু অসমীয়া বিভাগ, ইংৰাজী বিভাগৰ সহযোগত ৩ আৰু ৪ ফেব্ৰুৱাৰীত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আই চি এছ এছ আৰৰ আৰ্থিক সাহায্যত অনুষ্ঠিত আলোচনা-চক্ৰৰ বিষয় আছিল মধ্যযুগৰ ভাৰতৰ সমাজ আৰু সাহিত্য। মূল বিষয়ৰ লগত সংগতি ৰাখি একাধিক উপবিষয় নিৰ্ধাৰণ কৰি দিয়া আলোচনা-চক্ৰত ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰায় ৯৫খন গৱেষণা-পত্ৰ পাঠ কৰে। ৩ ফেব্ৰুৱাৰীত আলোচনা-চক্ৰ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃগাংক চৌধুৰীয়ে। মূল বিষয়ত বক্তৃতা প্ৰদান কৰে নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ বুৰঞ্জী অধ্যয়ন কেন্দ্ৰৰ সহযোগী অধ্যাপক ড° ৰক্তিম পাটৰে। তেওঁৰ বক্তৃতাৰ বিষয় আছিল— 'Text, Traditions and tribal Memories: Understanding Precolonial Assam and Orality Translate in to Assames। আলোচনা-চক্ৰত আসাম ইউনিভাৰ্ছিটিৰ ড° অনিন্দ শ্যাম চৌধুৰী, ডিন SKC EFLS আৰু ড° স্বাগত কুমাৰ নাথ, ইংৰাজী বিভাগ, Plenary Speaker হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে। অধ্যাপক ড° অনিন্দ শ্যাম চৌধুৰীৰ বক্তৃতাৰ বিষয় আছিল— 'The vernacular pulse in the English verse Mediaval Geneelogies of Indian English Poetry.' আৰু অধ্যাপক ড° স্বাগত কুমাৰ নাথৰ বক্তৃতাৰ বিষয় আছিল- 'Gender construct in Medieval Indian Literature: Significance in Contemporary India.' মুঠ চাৰিটা ভাষাত গৱেষণা পত্ৰ পাঠ কৰিবলৈ সুবিধা দিয়া আলোচনা-চক্ৰৰ অন্যতম এগৰাকী সঞ্চালক হিচাপে উপস্থিত থাকে ডিগবৈ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰদীপ কুমাৰ ভাৰতী। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° কৰবী বৰুৱা গগৈ আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক তনুকা বসে শলাগ জ্ঞাপন কৰে।